# ছাগলী পালনেৰে স্বাৱলম্বী হওক

অসমৰ জলবায়ু সিক্ত, উষ্ণ হোৱাৰ বাবে প্ৰচুৰ পৰিমাণে সেউজীয়া ঘাঁহ-লতা আদি গজে। পৰ্যাপ্ত পৰিমাণে পশু খাদ্য হোৱাৰ বাবে অসমত তৃণভোজী প্ৰাণী পালন কৰাটো অতি সহজ। অসমৰ গ্ৰামাঞ্চলৰ প্ৰায় প্ৰতি ঘৰতেই কম-বেছি পৰিমাণে ছাগলী পালন কৰা দেখা যায়। বিভিন্ন জনগোষ্ঠীয় লোকেও চাং ঘৰ বা থকা ঘৰৰ একোঠালিত ২/৩ টাকৈ ছাগলী পালন কৰে আৰু আৰ্থিক নাচনিৰ সময়ত এই সম্পত্তি বিক্ৰী কৰি ঘৰুৱা সমস্যা দূৰ কৰে। দৰিদ্ৰ কৃষকৰ ঘৰত থকা এনে ছাগলীৰ জাক কৃষকৰ আপদ-বিপদৰ এক সম্পদ।

এই ছাগলী জাকটো যদি বিজ্ঞানসন্মতভাৱে পালন কৰা যায় তেন্তে ইয়াৰ পৰা কৃষকে অধিক মুনাফা লাভ কৰিব পাৰিব। এটা পৰিয়ালৰ সদস্যই যদি নিজে প্ৰতিপালন কৰে তেন্তে প্ৰতিজনী ছাগলীৰ পৰা বাৰ্ষিক ৮০০ টকা পৰ্যন্ত লাভ পাব পাৰি। ছাগলীয়ে গছৰ পাত, ঘাঁহ, ফল-মূল আদি খায়, ছাগলীৰ গাখীৰ এক ভিটামিনযুক্ত স্ব-স্বাদু খাদ্য, ইয়াৰ মঙহ প্ৰস্তুত হওঁতেই আন ঘৰচীয়া জন্তুৰ তুলনাত খৰচ বহু কম। সাধাৰণতে পথাৰত মেলি দিয়াৰ পাছত বিয়লি গঁৰাললৈ আহোতে কোনো খাদ্য দিয়াৰ প্ৰয়োজন নাই যদিও ওজন বঢ়াবৰ বাবে, স্বাস্থ্য ৰোগমুক্ত কৰিবৰ বাবে কম খৰচৰ দানা দিব পাৰি। চাপৰ আৰু কম পৰিমাণে খলিহৈ আদি দিলে স্বাস্থ্য নিপোটল হয়। গাভিনী আৰু গাখীৰ দি থকা ছাগলীক প্ৰ'টিন আৰু শক্তিযুক্ত আহাৰ খপৰাব লাগে। ছাগলীৰ দানা তলত উল্লেখ কৰা ধৰণে প্ৰস্তুত কৰিব পাৰি। চাপৰ ৫০ শতাংশ, ভঙা মাকৈ ৫০ শতাংশ ভুচি ২৫ শতাংশ, স্কিম পাউদাৰ ১১ শতাংশ, বাদামৰ খলিহৈ ১২ শতাংশ, নিমখ ১ শতাংশ, খনিজ পদাৰ্থ ২ শতাংশ। এই দানাৰ লগত ৩০ শতাংশ খুদ চাউল মিশ্ৰণ কৰিলে অতি সুফল পোৱা যায়।

সহজে হজম হোৱাৰ বাবে ছাগলীৰ গাখীৰ বৃদ্ধ ৰোগী আৰু সৰু ল'ৰা-ছোৱালীৰ সুষম খাদ্য। ছাগলীৰ বীজাণু প্ৰতিহত ক্ষমতা বেছি। পোৱালি অসস্থাত স্বাস্থ্যৱান ছাগলী ভোবোলা বা প্ৰজনন কাৰ্যত ব্যৱহাৰ কৰিব পাৰি।

অসমৰ কৃষকে সাধাৰণতে থলুৱা জাতৰ ছাগলী পালন কৰা দেখা যায়। এনে ছাগলী এবছৰত ১০/১৫ কে জি পৰ্যন্ত ওজন হয়। থলুৱা জাতৰ ছাগলীৰ গাখীৰ কম। পঞ্জাব, হাৰিয়ানা আদিত পোৱা 'বিটাল' জাতৰ ছাগলী উত্তৰ প্ৰদেশৰ 'বাৰবাৰী' জাতৰ ছাগলী আমাৰ ৰাজ্যৰ ছাগলীতকৈ যথেষ্ট ওখ আৰু ওজন বেছি। থলুৱা জাতৰ লগত বৰ্ণ সংস্কৰণ হোৱা এনে ছাগলী অসমত 'ৰাম ছাগলী' নামেৰে জনাজাত এনে বৰ্গ সংকৰণ ঘটা ছাগলীৰ স্বাস্থ্য বৰ ভাল হয়। ইয়াৰ ওজনৰো শ্ৰীবৃদ্ধি হয়।

গাভিনী অৱস্থাত ছাগলীৰ খাদ্যৰ প্ৰতি মনোযোগ দিয়াৰ লগতে পৰস্পৰে যুদ্ধ কৰা, ঠেলা-হেঁচা কৰা সৰু ফুটাৰে সৰকা আদিৰ পৰা আঁতৰাই ৰাখিব লাগে। পোৱালি দিবৰ সময়ত বিশেষ ব্যৱস্থাৰ আৱশ্যক। প্ৰজননৰ পৰা ছাগলীৰ পোৱালি জন্ম হোৱালৈ গড়ে ১৪৮ দিন সময়ৰ আৱশ্যক। জন্মৰ পাছত পোৱালিটো চাফা কৰি বিজলুৱা পদাৰ্থ আঁতৰাই মাকৰ ফেঁহু খুৱাব লাগে, যদি মাকৰ গাখীৰ কম হয় তেন্তে অন্য প্ৰকাৰে গাখীৰ খুৱাব লাগে। ওজন অনুসাৰে পোৱালিক ৪০০-৬০০ মিঃ মিঃ গাখীৰ দৈনিক ৪/৫ বাৰ খুৱাব লাগে আৰু ৩/৪ মাহৰ পাছত মাকৰ গাখীৰ এৰোৱাব লাগে। চিকিৎসকৰ পৰামৰ্শমতে, ৪ সপ্তাহ বয়সত পেলুৰ ঔষধ খুৱাব লাগে।

সেমেকা বা ঠাণ্ডাৰ পৰা ছাগলীক আঁতৰাই ৰাখি অৱশ্যক মতে কৃত্ৰিম তাপ দিয়াটো জৰুৰী।